ॐ

# ভাতখণ্ডে সংগীত বিদ্যাপীঠ (লক্ষ্ণৌ)

## প্ৰথমা (Prathama) পাঠ্যক্ৰম

## তবলা (Tabla) শাস্ত্ৰ (Theory)

M.M. – 100
Time – 3 hours.

1. তবলাৰ ওপৰত আৰম্ভিক জ্ঞান (ইতিহাস, আকৃতি সম্পৰ্কে)।
2. তবলাৰ বিভিন্ন গঠন সন্দৰ্ভত চিত্ৰ আঁকি বৰ্ণনা কৰাৰ জ্ঞান।
3. সংযুক্ত বৰ্ণ আৰু অসংযুক্ত বৰ্ণ তথা বৰ্ণ বা বোলৰ ওপৰত সম্পূৰ্ণ জ্ঞান।
4. নিম্নলিখিত পাৰিভাষিক শব্দৰ জ্ঞান।
   সংগীত, ততবাদ্য, অৱনদ্ধ বাদ্য, ঘন বাদ্য, তালি (ভৰি), খালি (ফাঁক), বিভাগ, আৱৰ্তন, ঠেকা, বিলম্বিত, মধ্য, দ্ৰুত, বৰাবৰ (অতি বিলম্বিত) দুগুন, তিগুন, চৌগুন।
5. নিম্নলিখিত পাৰিভাষিক শব্দৰ সংজ্ঞা –
   কায়দা, গত (গৎ), মোখৰা (মুখড়া), ৰেলা, তিহাই, পৰন, বোল বা বৰ্ণ, পল্টা।
6. নিজা পাঠ্যক্ৰমত সন্নিৱিষ্ট তাল, কায়দা, ৰেলা, ঠেকা সমূহক স্বৰলিপি বা তাললিপিত লিখাৰ অভ্যাস।
7. নিজা বাদ্যৰ সৃষ্টিকৰ্তা সমূহৰ জীৱনী লিখাৰ অভ্যাস।

~~~ x ~~~

Scanned with OKEN Scanner
~~~

পণ্ডিত বিষ্ণুনাৰায়ণ ভাতখণ্ডে তেওঁলোকৰ গ্ৰন্থ 'হিন্দুস্থানী সংগীত তৃতীয় ভাগত' বিভিন্ন ৰাগৰ সমষ্টিৰ দ্বাৰা তেওঁকেই তবলাৰ আবিষ্কাৰক বুলি কয়। কিন্তু এই ক্ষেত্ৰতো মত বিভেদৰ সূত্ৰপাত নঘটাকৈ থকা নাই, কিয়নো দিল্লীৰ সুধাৰ খাঁ পৃষ্ঠপোষকৰ অন্য এক-জনৰ মতে ১৮ শ শতিকাৰ তেওঁলোক হেনো এজন আকবৰৰ ৰাজসভাৰ তবলাবাদক আছিল। এই সন্দৰ্ভত এটা কাহিনীও আছে। সেই সময়ত ভগৱান দাস নামেৰে এজন পাখোৱাজবাদক আছিল তেওঁ সুধাৰ খাঁৰে সমকক্ষ আছিল। দুয়োৰে মাজত আকবৰৰ ৰাজসভাত প্ৰতিযোগিতা চলিছিল। প্ৰতিযোগিতাৰ বিষয় আছিল - পাখোৱাজ বাদনৰ সেই প্ৰতিযোগিতাত সুধাৰ খাঁ পৰাজিত হৈছিল আৰু খঙৰ বশৱৰ্তী হৈ তেওঁলোকে তেওঁৰ পাখোৱাজটো দুটুকুৰা কৰি পেলাইছিল। তথাপিও তেওঁলোকৰ পাখোৱাজ বাদনৰ হেঁপাহ পূৰণ নহৈছিল আৰু তাৰ পৰাই তবলাৰ সৃষ্টি হৈছিল আৰু এদিন ভগৱান দাসক - - - - পৰাজিত কৰিছিল এনেদৰেই তবলা বাদ্যটিৰ সৃষ্টি হৈছিল বুলি কথিত আছে।

এনেদৰেই গতানুগতিক ভাৱধাৰাৰে মাজে ঐতিহাসিক ক্ষেত্ৰত মুছলমান সকলৰ 'খেয়াল' এক গায়ন পদ্ধতি সৃষ্টি হৈছিল। যি গায়ন শৈলীত কল্পনা শক্তিৰ বিশেষ মহত্ত্ব দিয়া হৈছিল। গায়ন শৈলীৰ লগত পাখোৱাজ বজোৱাৰ নিয়ম আছিল। হজৰত আমীৰ খুছৰুৱে এই গায়ন পদ্ধতিক নতুন মা প্ৰদান কৰিছিল। তেনেদৰেই তেওঁ 'তবলৰ' সৃষ্টি কৰিছিল আৰু তল্ল বাদ্যৰ বিকাশ সাধন কৰিছিল। এই মতবাদক লৈ যথেষ্ট তথ্য পোৱা নাযায় যদিও আমীৰ খুছৰুকেই তবলাৰ জন্মদাতা বুলি কব পাৰি। বেনাৰসৰ ডা: কে. এন. ভৌমিকৰ মতে "Banaras School of tabla playing (The Journal of the music Academy Madras) ত লিখিছে - "It is historically known (Goswami 1956 ch. no XXVII) that equipped prominent place among the musical instrument in Arabia, Tabla was a popular ... instrument used by women. It is said "that Tabul son of musician. Tabul in Arabia is the inventor of Tabla."

এই ক্ষেত্ৰত তবলাৰ অৰ্থ আছিল যেনেকৈ প্ৰচলিত তবলা তাৰ্দ্ধ্যে নহয়। এই তবলাৰ অৰ্থ আছিল আমাৰ দেশত প্ৰচলিত ডুগ্গীহে মাদল কিন্তু যেনেকৈ এই তবল শব্দৰ দ্বাৰাই তবলা শব্দৰ ৰূপ লয়। অনেকেই গতানুগতিক গতিৰে বৰ্তমান প্ৰেক্ষাপটত তবলাৰ নাম বোধহয় নুশুনা ব্যক্তি নাই। তবলাৰ সৃষ্টি হোৱাৰ মতানৈক্যৰ অভাৱ নাই যদিও ই অপ্ৰমাণিক হৈ ৰৈছে। সি যি কি নহওক আমীৰ খুছৰুকেই তবলাৰ জনক হিচাপে স্বীকাৰ কৰাৰ অনেক মত আছে।

~~~~ x ~~~~
~~~~

৫ 6

২. তবলাৰ বিভিন্ন গঠন সন্দৰ্ভত চিত্ৰ আঁকি বৰ্ণনা কৰাৰ চেষ্টা।

Ans:- তবলাক দুটা ভাগত ভাগ কৰা হৈছে। এই ভাগ দুটা হল – (১) দায়াঁ বা দাইনা
(২) বায়াঁ বা ডুগী

(১) দায়াঁ বা দাইনা:- তবলাৰ যিটো ভাগ সোঁহাতেৰে বজোৱা হয়, তাকে দায়াঁ বা দাইনা বোলা হয়। দায়াঁ কাঠেৰে নিৰ্মাণ কৰা হয়। ই খোপোলা আৰু তাৰ মুখখন চালেৰে ঢকা। চেগুন, চন্দন, কঠাল, শিশম্ আদি গছৰ কাঠ সাধাৰণতে দায়াঁৰ কাৰণে ভাল। দায়াঁ আয়ু প্ৰকৃত উত্তম।

দায়নাৰ সৰ্বমুঠ ন টা অংগ আছে। তলত চিত্ৰ আঁকি দায়াঁ বা দাইনাৰ গঠন প্ৰনালী সম্পৰ্কে আলোচনা কৰা হল।




দাঁয়া বা দাইনা

(১) পুড়ি বা ছাউনী:- যি চালৰ দ্বাৰা দায়াঁৰ মুখ ঢকা থাকে তাকে পুড়ি বা ছাউনী বোলে। পুড়ি সাধাৰণতে ছাগলীৰ ছালেৰে তৈয়াৰ কৰা হয়।

(২) লকড়ী বা কাঠ:- দাঁয়াৰ কাঠৰ অংশটোক লকড়ী বুলি কোৱা হয়।

Scanned with OKEN Scanner

ইয়াৰ ওপৰভাগৰ ব্যাস প্ৰায় সাত ইঞ্চিমান। তলৰ ভাগৰ ব্যাস প্ৰায় ৮ ইঞ্চিমান। ইয়াৰ ভিতৰ ফালে খোপোলা।

(৩) স্যাহী বা চিয়াঁহী :- পুৰীৰ মাজত থকা ক'লা গোলাকাৰ পদাৰ্থটোৰ নাম স্যাহী। ইয়াক ঘুন বুলিও কোৱা হয়। স্যাহীক লোৰ গুৰি আৰু ভাত বা তেনে আঠাৰে তৈয়াৰ কৰা হয়।

(৪) গজৰা বা গিংগাৰ :- স্যাহীৰ চাৰিওফালে চামৰাৰ ৰচিৰে গুঠি কৰা পাগুৰি সদৃশ মেৰটোক গজৰা বা গিংগাৰ বোলা হয়।

(৫) লৱ বা মৈদান : স্যাহীৰ চাৰিওফালে পুৰীৰ যি অংশ ওলাই থাকে সেই অংশকে লৱ বা মৈদান বোলে।

(৬) চাঁটি বা কিনাৰ : লৱ বা গজৰাৰ মাজত প্ৰায় আধা ইঞ্চিমান যি চাল লগা থাকে, তাক চাঁটি বা কিনাৰ বোলে।

(৭) বদ্ধি :- গজৰাৰ ওপৰত ষোল্লটা ভাগ বা ঘৰ আছে। ঘৰবোৰৰ মাজেৰে চামৰাৰ ফিতা তবলাৰ কাঠৰ গুটি কেইটাৰ ওপৰেদি তলৰ চামৰাৰ মেৰটোৰ (গুড়ৰী) সৈতে টনা থাকে। সেই ফিতাকে বদ্ধি বোলে।


(৮) গট্টা :- বদ্ধিক আৱশ্যক অনুযায়ী টানি ৰাখিবৰ বাবে আঠোটা প্ৰায় দুই ইঞ্চি দীঘল কাঠৰ টুকুৰা বা গুটি ব্যৱহাৰ কৰা হয়। এই টুকুৰাবোৰক গট্টা বোলে।

(৯) গুড়ৰী :- তবলাৰ একেবাৰে তলৰ ভাগৰ চামৰাৰ ৰচিৰে কৰা এটা মেৰ আছে এই মেৰটোকে গুড়ৰী বোলে। ইয়াক বদ্ধিৰ দ্বাৰা পুৰীক টানি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা হয়।

## (২) বাঁয়া বা ডুগী

তবলাৰ যিটো ভাগ বাওঁহাতেৰে বজোৱা হয়, তাক বাঁয়া বা ডুগী বোলে। বাঁয়া সাধাৰণতে মাটি, এলুমিনিয়াম, তাম বা

পিতলৰ দ্বাৰা বনোৱা হয়। বাঁয়াৰ ওপৰৰ ছালখনক মোহৰা। বাঁয়াৰ আকাৰ ঢোল বা কলহ সদৃশ।
তলত দিয়া অংশৰ বাঁয়া বা ডুগীৰ বিভিন্ন অংশৰ সম্পৰ্কে আলোচনা কৰা হল।



(১) পুৰী বা ছাউনী : যি ছালেৰে বাঁয়াৰ ওপৰ ঢকা থাকে, তাকে পুৰী বোলে। সাধাৰণতে বাঁয়াৰ পুৰী দাইনাৰ পুৰীতকৈ কিছু ডাঙৰ।

(২) কুণ্ডা : বাঁয়াৰ মাটিৰ, তামৰ বা পিতলৰ অংশটোক কুণ্ডা বোলে। সাধাৰণতে বাঁয়াৰ এই পেটটো (কুণ্ডা) দাইনাতকৈ ডাঙৰ। বাঁয়াৰ কুণ্ডা সাধাৰণতে দাইনাতকৈ ওজনদাৰ।

(৩) স্যাহী (চিয়াঁহী) : বাঁয়াৰ পুৰীৰ অলপ কাষত থকা কলা মোলায়েম পদাৰ্থবোৰ নাম স্যাহী। দাইনাৰ দৰে বাঁয়াৰ স্যাহী পুৰীৰ মাজত নাথাকে।

(৪) গাজৰা বা কিনাৰ : বাঁয়াৰ পুৰীৰ চাৰিওফালে চামৰাৰ বেৰিকৈ মেৰিয়াই কৰা গোল বা মেৰটোক গাজৰা বা কিনাৰ বোলে।

(৫) <u>নল বা মৈহান</u> :- স্যাহী বা চাঁটিৰ মাজৰ পুৰিৰ যি অংশ উলাই থাকে, তাকে নল বা মৈহান বোলে।

(৬) <u>চাঁটি বা কিনাৰ</u> :- নল আৰু গাজৰাৰ মাজৰ প্ৰায় আধা ইঞ্চি বহল যি চালখন লগা থাকে, তাকেই চাঁটি বা কিনাৰ বোলে।

(৭) <u>বদ্ধি</u> :- গাজৰাৰ দ্বাৰা তলৰ গুড়ৰীলৈ যি চামৰাৰ ফিটাৰে টানি বন্ধা থাকে, তাকে বদ্ধি বোলে।
সাধাৰণতে খাঁৱাজ গট্টা নাথাকে।

(৮) <u>গুড়ৰী</u> :- বাঁয়াৰ একেবাৰে তলৰ ফালত চামৰাৰ বেচিৰে কৰা এটা মেৰ বা পাগুৰী আছে। ইয়াকে বদ্ধিৰ দ্বাৰা পুৰীক টানি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা যায়। এই মেৰটোক গুড়ৰী বোলা হয়।

~~~ x ~~~

Scanned with OKEN Scanner
~~~

৩. সংযুক্ত বৰ্ণ আৰু অসংযুক্ত বৰ্ণ তথা বোলৰ ওপৰত সম্পূৰ্ণ জ্ঞান।

বোল:- তবলাত আঘাত কৰি বা থোকৰ দি যি সঙ্গীত উপযোগী শব্দ বা ধ্বনি উৎপন্ন কৰা যায়, তেনে শব্দ বা ধ্বনি সমূহক বৰ্ণ, বাণী বা বোলে। বোল শব্দটো হিন্দী বা উৰ্দুৰ "বোলনা" (অৰ্থাৎ কথা কোৱা) শব্দৰ পৰা অহা। ভাষা শিটি কৰলৈ হলে যেনেদৰে বৰ্ণ বা আখৰৰ পৰিচয় হব লাগে, সেইদৰে তবলাৰো বৰ্ণ বা বোলৰ লগত পৰিচয় হলেহে তবলাৰ বিষয়ে ইয়াৰ অধ্যয়ন কৰিব পৰা যায়। সেয়েহে, বৰ্ণ, বাণী, বোল তবলাৰ গুৰুত্বপূৰ্ণ বিষয়বস্তু।

সৰল বৰ্ণ বা অসংযুক্ত বৰ্ণ

তবলাৰ বায়া বা দায়াঁত যিকোনো এটাত বাওঁহাতে বায়াত আৰু সোঁহাতে দায়াত বজোৱা বৰ্ণসমূহক অসংযুক্ত বা সৰল বৰ্ণ বুলি কোৱা হয়। তবলাত সৰল বা অসংযুক্ত বৰ্ণৰ সংখ্যা ৮ টা। ~~আৰু~~ দায়াত বজোৱা সৰল বা অসংযুক্ত বৰ্ণৰ সংখ্যা ৬ টা। আৰু বায়াত বা ডুগীত বজোৱা সৰল বা অসংযুক্ত বৰ্ণৰ সংখ্যা ২ টা।

দায়া বা দাইনা ত বজোৱা সৰল বা অসংযুক্ত বৰ্ণবোৰ তলত আলোচনা কৰা হল —

(ক) তা বা না:- তা বা না বোলটো সোঁহাতৰ তৰ্জনী আঙুলিৰে বজোৱা এক -আম্মিক বোল। দাইনাৰ স্যাহিৰ আৱৰ্ত্তিক ভাগৰ সোঁফালে অনামিকা আঙুলি সামান্য বেঁনুভিৰিয়াকৈ আৰু মধ্যমা আঙুলি স্যাহিৰ ওপৰত স্পৰ্শ নকৰাকৈ ৰাখি তৰ্জনি আঙুলিৰ মাজভাগেৰে চাটি বা কিনাৰত আঘাত কৰিলে তা বা না বোলটো উৎপন্ন হয়।

(খ) তি বা তিন: দায়া বা দাইনাত সোঁহাতৰ তৰ্জনী আঙুলিৰে বজোৱা বোল দাইনাৰ আৱৰ্ত্তিক ভাগৰ সোঁফালে অনামিকা আঙুলিক সামান্য বেঁনুভিৰিয়াকৈ আৰু মধ্যমা

Scanned with OKEN Scanner

আঙুলিক স্যাহিৰ ওপৰত স্পৰ্শ নকৰাকৈ বাকী তৰ্জনী আঙুলি আজআগেৰে লৱ বা ময়দানত ঢেমালা আঘাত কৰি তি বা তিন্ বৰ্ণ উৎপন্ন হয়।

(C) তে বা তি : তে বা তি বোলটো দায়নাত সোঁহাতেৰে বজোৱা হয়। মধ্যমা, অনামিকা আঙুলিক একত্ৰিত কৰি স্যাহিত আঘাত কৰি তে বা তি বোল উৎপন্ন কৰা হয়।

(D) ৰে বা টে :- টে বা ৰে সোঁহাতৰ তৰ্জনী আঙুলিৰ দ্বাৰা দাহিনাৰ স্যাহিৰ মধ্যভাগত আঘাত কৰি টে বা ৰে বোল উৎপন্ন কৰা হয়। ই সাধাৰণতে বন্ধ বোল।

(E) তু বা তুন :- তু বা তুন বোল সোঁহাতৰ তৰ্জনী আঙুলিৰ দ্বাৰা দাহিনাৰ স্যাহিৰ মধ্যভাগত ঢেমালা আঘাত কৰি তু বা তুন বোল উৎপন্ন কৰা হয়।

(F) থুন বা দিন :- থুন বা দিন সোঁহাতৰ আটাইকেইটা আঙুলিৰ সহায়ত স্যাহিৰ ঠিক মধ্যভাগত ঢেমালা আঘাত কৰি থুন বোলটো উৎপন্ন কৰা হয়। বিশেষকৈ থুন শব্দটো নৃত্যতহে ব্যৱহাৰ কৰা হয়।

বায়াঁ বা ডুগীত বজোৱা সৰল বা অসংযুক্ত বৰ্ণ :-

(A) ক, কা, কে, কি : বাওঁহাতেৰে বায়াঁত বজোৱা এটা সৰল বৰ্ণ হল ক বা কি। বাওঁহাতৰ কেইটা আঙুলি একত্ৰিত কৰি মনিবন্ধ লয় আৰু স্যাহিৰ সন্নিস্থলত ৰাখি সম্পূৰ্ণ স্যাহিৰ ওপৰত কেইটা আঙুলিৰে চেপা আঘাত কৰি ক বা কি বোল উৎপন্ন কৰা হয়।

(B) গ বা ঘ :- বাওঁহাতৰ মনিবন্ধ লয় আৰু স্যাহিৰ সন্নিস্থলত ৰাখি আঙুলিসমূহ ঢেলাৰ আকৃতি কৰি কেৱল মধ্যমা আৰু তৰ্জনী আঙুলিৰে লয় বা ময়দানত ঢেমালা আঘাত কৰি গ বা ঘ বোল উৎপন্ন কৰা হয়।

Scanned with OKEN Scanner

সংযুক্ত বৰ্ণ :-

তবলাৰ বায়াঁ আৰু দায়াঁৰ দুয়োটাতে একেলগে আৰু একে সময়তে যি বোল বজোৱা হয়, তাকে সংযুক্ত বৰ্ণ বুলি কোৱা হয়।

সংযুক্ত বৰ্ণ দুটা হল —

(ক) ধা
(খ) ধিন

(ক) ধা (গে + তা) :- ধা বোলটো দায়াঁত তা আৰু বায়াঁত গা বোলৰ সমষ্টি হৈ সৃষ্টি হয়।

(খ) ধিন (তিন + ঘা) :- ধিন বোলটো দায়াঁত তিন আৰু বায়াঁত ঘা বোলৰ সমষ্টি হৈ সৃষ্টি হয়।

——x——

(৫) নিম্নলিখিত পাৰিভাষিক শব্দৰ অৰ্থ লিখা।

(ক) সংগীত:- গীত, বাদ্য, নৃত্য এই তিনিও কলাৰ পাৰস্পৰিক সমন্বয়ক সংগীত বুলি কোৱা হয়। সংগীতক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। সেইয়া হল–
(ক) মাৰ্গীয় সংগীত
(খ) দেশীয় সংগীত

(ক) মাৰ্গীয় সংগীত:- মাৰ্গ দৰ্শন বা ঋষি মুনি সকলে ঈশ্বৰক উপাসনা অথবা পূজা অৰ্চনা কৰিবৰ বাবে পৰিৱেশন কৰা গীতক মাৰ্গীয় সংগীত বুলি কোৱা হয়।

(খ) দেশীয় সংগীত:- যিবিলাক সংগীত জনসাধাৰণৰ মনোৰঞ্জনৰ হেতুকে পৰিস্থিতিৰ লগত খাপ খুৱাই লিখি গোৱা গীত যত বিভিন্ন ৰসৰ সৃষ্টি হয় সেইবিলাক গীতক দেশীয় সংগীত বোলে।

(খ) তত বাদ্য
ভাৰতীয় বাদ্য সমূহৰ ভিতৰত তত বাদ্য অন্যতম। যি বাদ্যৰ তাঁৰত আঘাত কৰি শব্দ উৎপন্ন কৰা হয়। তেনেধৰণৰ তন্ত্ৰী যুক্ত বাদ্যবোৰ তত বাদ্য বোলে। উদাহৰণস্বৰূপে: বীণা, চেতাৰ, বেহেলা, চাৰেঙ্গী, গীটাৰ ইত্যাদি।

(গ) অৱনদ্ধ বাদ্য
যি বাদ্যযন্ত্ৰত চামৰাৰ আৱৰণ থাকে আৰু হাতৰ আঙুলি, বাঁহ বা কাঠৰ মাৰিৰ দ্বাৰা আঘাত কৰি যি শব্দ উৎপন্ন কৰা হয়, তেনে বাদ্যক অৱনদ্ধ বাদ্য বোলে। উদাহৰণস্বৰূপে ঢোল, খোল, তবলা, দবা, নেগেৰা ইত্যাদি।

(ঘ) ঘন বাদ্য:-
কাঠ, বাঁহ, কঁাহ আদিৰে নিৰ্মিত বাদ্যযন্ত্ৰ সমূহক যদি অন্য ধাতুৰে নিৰ্মিত বস্তু আঘাতৰ দ্বাৰা বজোৱা যায়, তেনে বাদ্যক

Scanned with OKEN Scanner

তেনে বাদ্যক ঘন বাদ্য বোলে। যেনে: কাঁহ, ভোৰতাল, মন্দিৰা, টকা, জলতৰংগ ইত্যাদি।

(ঙ) সুষিৰ বাদ্য:-

যি বাদ্যযন্ত্ৰ বায়ুৰ সহায়ত শব্দ উৎপন্ন কৰি বজোৱা হয়, তেনেবোৰ বাদ্যক সুষিৰ বাদ্য বোলে। উদাহৰণস্বৰূপে: হাৰমনি, পেঁপা, চেহনাই, বাঁহী ইত্যাদি।

(চ) তালি (ভৰি)

কোনো তালৰ বৈশিষ্ট্য প্ৰকাশ কৰিবলৈ তালৰ বিভাগ সমূহৰ মাজত যিবোৰ মাত্ৰাত প্ৰয়োজন হাতেৰে অনুৰূপ সংকেত প্ৰয়োগ কৰি চাপৰি বজোৱা হয়, তাকে তালি বা ভৰি বোলা হয়। তালি বা ভৰিক x চিহ্নৰে বা ক্ৰমগতিত ২, ৩, ৪ ---- ইত্যাদি দেখুওৱা হয়। উদাহৰণস্বৰূপে:-

ত্ৰিতাল

| | | | |
|---|---|---|---|
| ধা ধিন ধিন ধা | ধা ধিন ধিন ধা | ধা তিন তিন তা | তা ধিন ধিন ধা |
| x | ২ | ০ | ৩ |

উপৰোক্ত ঠেকাৰ x, ২, ৩ স্থানত তালিৰ বিষয়ে ইংগিত দিয়া হৈছে।

(ছ) খালি বা ফাঁক

কোনো তালৰ বৈশিষ্ট্য প্ৰকাশ কৰিবৰ কাৰণে তালৰ বিভিন্ন বিভাগ সমূহৰ মাজত থকা মাত্ৰাসমূহক হাতেৰে আঘাত নকৰি শূন্যলৈ নিৰ্দেশ দিয়াটোকে খালি বা ফাঁক বোলা হয়। উদাহৰণ স্বৰূপে: কাহাৰবা তালৰ শূন্য ঠেকাটোক দেখুওৱা হৈছে। ইয়াক '০' চিহ্নৰে দেখুওৱা হয়।

কাহাৰবা তাল

| | |
|---|---|
| ধা গে না তি | না ক ধি না |
| x | ০ |

(ক) বিভাগ

প্ৰতিটো তালৰেই বিভাগ সমূহক বিভিন্ন ক্ৰম অনুযায়ী বিভিন্ন ভাগত ভগোৱা হয়। এই সকলোবোৰ ভাগ সমূহকেই বিভাগ বুলি কোৱা হয়। উদাহৰণস্বৰূপে :- ঝাপতালৰ ঠেকা তলত উল্লেখ কৰা হল—

ঝাপতাল

| | | | |
|---|---|---|---|
| ধি না | ধি ধি না | তি না | ধি ধি না |
| x | ২ | ০ | ৩ |

(খ) আবৰ্তন

কোনো এখন তাল, টুকুৰা, কায়দা ইত্যাদি সমূহ প্ৰথম মাত্ৰাৰ পৰা আৰম্ভ হৈ শেষ হৈ পুনৰ প্ৰথম মাত্ৰালৈ অৰ্থাৎ প্ৰথম মাত্ৰালৈ ঘূৰি আহি শেষ হোৱাকে আবৰ্তন বুলি কোৱা হয়। অৰ্থাৎ "চক্ৰ প্ৰত্যাবৰ্তন"। উদাহৰণস্বৰূপে: ত্ৰিতাল তাল প্ৰথম মাত্ৰাৰ পৰা আৰম্ভ হৈ আকৌ আৰম্ভ হোৱাকে এক আবৰ্তন চক্ৰ বোলে।

(গ) ঠেকা

সাধাৰণতে তবলা, পাখোৱাজ আদি অৱনদ্ধ বাদ্যত কোনো এখন তাল প্ৰদৰ্শন কৰিবৰ বাবে মাত্ৰা, বিভাগ, তালি, খালি আদি অক্ষুণ্ণ ৰাখি যি সুনিৰ্দিষ্ট শব্দৰাজি বোল বা বৰ্ণ বজোৱা হয় তাকে ঠেকা বুলি কোৱা হয়। উদাহৰণস্বৰূপে: ত্ৰিতালৰ ঠেকাটো দেখুওৱা হল—

| | | | |
|---|---|---|---|
| ধা ধিন্ ধিন্ ধা | ধা ধিন্ ধিন্ ধা | ধা তিন্ তিন্ তা | তা ধিন্ ধিন্ ধা |
| x | ২ | ০ | ৩ |

(ঘ) লয়:-

প্ৰত্যেক চলন্ত বস্তুৰে নিজৰ এটা গতি থাকে। ঠিক তেনেদৰে সংগীতৰো নিজৰ গতি আছে। সংগীতৰ নিৰ্দিষ্ট সময় বা মাত্ৰাৰ সমান গতিকে লয় বোলে। সংগীতত লয়ৰ প্ৰাধান্য অধিক, কিয়নো লয়হীন সংগীত প্ৰাণহীন জীৱৰ দৰে, প্ৰধানতঃ লয় তিনি প্ৰকাৰৰ। ① বিলম্বিত লয় ② মধ্য

লয় ৩) দ্ৰুত লয়।

(১) বিলম্বিত লয় :- অতি লাহে লাহে বা ধীমা গতিত সংগীতত সময়ৰ যি গতি লয় তাকে বিলম্বিত লয় বুলি কোৱা হয়। অৰ্থাৎ, সংগীতত সময়ৰ গতি অতি ধীমা মাত্ৰাত গতিত পৰিচালিত হোৱাকে বিলম্বিত লয় বুলি কোৱা হয়। এই লয় এগুন লয়বিশিষ্ট হয়।

(২) মধ্য লয় : যেতিয়া লয়ৰ গতি বা সময়ৰ গতি অতি ধীমা নহয় ~~মধ্য~~ বা অতি দ্ৰুত নহয় মধ্য অৱস্থাত লয়ৰ গতি লয়, তাকে মধ্য লয় বোলে। অৰ্থাৎ বিলম্বিত লয় আৰু দ্ৰুত লয়ৰ মাজৰ অৱস্থাকে মধ্য লয় বুলি আখ্যা দিয়া হয়। মধ্যলয়ক আদৰ্শ লয় বুলি কোৱা হয়।

(৩) দ্ৰুত লয় :- তীব্ৰ গতিত যোৱা লয়কে দ্ৰুত লয় বুলি কোৱা হয়। অৰ্থাৎ, যেতিয়া মাত্ৰৰ গতি অতি বেগী হয়, একমাত্ৰাৰ পৰা আনটো মাত্ৰালৈ যাওঁতে অতি কম সময় লাগে, তাকে দ্ৰুত লয় বোলা

বৰাবৰ লয় :-

একমাত্ৰা সময়ৰ মাজত এটা সংখ্যা বা এটা বাণী থকাকে অৰ্থাৎ কোনো তালৰ ঠেকাক এক আবৃত্তি কালত এবাৰ বজোৱাকে একগুন, ঠাহ বা বৰাবৰ লয় বোলে। উদাহৰণৰ বাবে ত্ৰিতালৰ ঠেকাটোক বৰাবৰ লয়ত দিয়া হল —

ত্ৰিতাল (বৰাবৰ লয়)

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| মাত্ৰা — | ১ | ২ | ৩ | ৪ | | ৫ | ৬ | ৭ | ৮ |
| বাণী — | ধা | ধিন্ | ধিন্ | ধা | | ধা | ধিন্ | ধিন্ | ধা |
| | x | | | | | ২ | | | |
| মাত্ৰা — | ৯ | ১০ | ১১ | ১২ | | ১৩ | ১৪ | ১৫ | ১৬ |
| বাণী — | ধা | তিন | তিন | তা | | তা | ধিন | ধিন | ধা |
| | ০ | | | | | ৩ | | | |

## দুগুন :

একমাত্ৰাৰ সময়ত দুটা মাত্ৰা বা সংখ্যা অথবা দুটা বৰ্ণ বা বোল সকাকে দুগুন বোলে। সেইকাৰণে কোনো ঠেকা দুগুনত বজালে হলে সম্পূৰ্ণ ঠেকাটো দুগুনত দুবাৰ বজালেহে একগুনত লগা সময়ৰ সমান হয়। অৰ্থাৎ একগুনত এক আৱৰ্তনত ঠেকাটো দুবাৰ বজাব লাগিব। উদাহৰণস্বৰূপে ত্ৰিতালক দুগুনত দেখুওৱা

মূল ঠেকা (ত্ৰিতাল)

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ধা | ধিন | ধিন | ধা | ধা | ধিন | ধিন | ধা |
| x | | | | ২ | | | |
| ধা | তিন | তিন | তা | তা | ধিন | ধিন | ধা |
| 0 | | | | ৩ | | | |

দুগুন (ত্ৰিতাল)

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ধাধিন | ধিনধা | ধাধিন | ধিনধা | ধাতিন | তিনতা | তাধিন | ধিনধা |
| x | | | | ২ | | | |
| ধাধিন | ধিনধা | ধাধিন | ধিনধা | ধাতিন | তিনতা | তাধিন | ধিনধা |
| 0 | | | | ৩ | | | |

## ত্ৰিগুন :-

একমাত্ৰা সময়ত তিনিটা সংখ্যা বা তিনিটা বানী সকাকে তিনিগুন বা ত্ৰিগুন বোলে। সেইকাৰণে, কোনো ঠেকা তিনিগুনত বজাবলৈ হলে সম্পূৰ্ণ ঠেকাটো তিনিগুনত তিনিবাৰ বজালেহে একগুনত লগা সময়ৰ সমান হয়। অৰ্থাৎ একগুনত এক আৱৰ্তন দুগুনত মূল ঠেকাটো দুই আৱৰ্তন আৰু তিনিগুনত মূল ঠেকাটো এটা আৱৰ্তন হয়।

উদাহৰণস্বৰূপে- ত্ৰিতালৰ তিনিগুন দেখুওৱা হল-

মূল ঠেকা (ত্ৰিতাল)

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ধা | ধিন | ধিন | ধা | ধা | ধিন | ধিন | ধা |
| x | | | | ২ | | | |
| ধা | তিন | তিন | তা | তা | ধিন | ধিন | ধা |
| 0 | | | | ৩ | | | |

Scanned with OKEN Scanner

## তিনগুন :-

| | | | |
|---|---|---|---|
| ধাধিনধিন | ধাধাধিন | ধিনধাধা | তিনতিনতা |
| × | | | |
| তাধিনধিন | ধাধাধিন | ধিনধাধা | ধিনধিনধা |
| ২ | | | |
| ধাতিনতিন | তাতাধিন | ধিনধাধা | ধিনধিনধা |
| ০ | | | |
| ধাধিনধিন | ধাধাতিন | তিনতাতা | ধিনধিনধা |
| ৩ | | | |

## চৌগুন বা চাৰিগুন

একমাত্ৰাৰ সময়ত চাৰিটা মাত্ৰা বা সংখ্যা অথবা চাৰিটা বৰ্ণ বা বোল থকাকে চৌগুন বা চাৰিগুন বোলা হয়। সেইকাৰণে, যিকোনো ঠেকা চাৰিগুনত বজাবলৈ হলে সম্পূৰ্ণ ঠেকাটো চাৰিগুনত চাৰিবাৰ বজালেহে একগুনত লগা সময়ৰ সমান হয়। অৰ্থাৎ ঠেকাটো চাৰিগুনত আবৰ্তনৰ সংখ্যা হয় - ৪। উদাহৰণস্বৰূপে- ত্ৰিতালৰ চাৰিগুন দেখুওৱা হল-

### ত্ৰিতাল (মূল ঠেকা)

| | | | |
|---|---|---|---|
| ধা ধিন ধিন ধা | ধা ধিন ধিন ধা | ধা তিন তিন তা | তা ধিন ধিন ধা |
| × | ২ | ০ | ৩ |

### চৌগুন

| | | | |
|---|---|---|---|
| ধাধিনধিনধা | ধাধিনধিনধা | ধাতিনতিনতা | তাধিনধিনধা |
| × | | | |
| ধাধিনধিনধা | ধাধিনধিনধা | ধাতিনতিনতা | তাধিনধিনধা |
| ২ | | | |
| ধাধিনধিনধা | ধাধিনধিনধা | ধাতিনতিনতা | তাধিনধিনধা |
| ০ | | | |
| ধাধিনধিনধা | ধাধিনধিনধা | ধাতিনতিনতা | তাধিনধিনধা |
| ৩ | | | |

০২

5. নিম্নলিখিত পাৰিভাষিক শব্দৰ ব্যাখ্যা –

কায়দা, গত(গৎ), মোহৰা (মুখড়া), ৰেলা, তিহাই, পৰন, বোল বা বৰ্ণ, পল্টা

## কায়দা

কায়দা হৈছে তবলাৰ এক মূল্য বোল বিন্যাস। তালৰ তালি-খালি বিভাগ ঠিকৰ পৰাকৈ তালৰ স্বৰূপ অক্ষুন্ন ৰাখি সহজে বিস্তাৰ কৰিব পৰাকৈ থকা বোল। অৰ্থাৎ কায়দাৰ বোলসমূহ এনেদৰে থাকে যে তাক নিয়ম শৃংখলাবে উলট-পালট কৰি বহু বিস্তাৰ বা পল্টা কৰিব পাৰি। তবলাৰ স্বতন্ত্ৰ বাদন বা লহৰা বজাওঁতে সাধাৰণতে পেশকাৰ বা উঠান বজোৱাৰ পিচতে কায়দ বজোৱা হয়। 'কায়দা' আৰবী ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হৈছে- নিয়ম বা দক্ষতা অৰ্জন। কায়দা বজালে হাতৰ নিয়ম বা বোলৰ আখৰবোৰ সুমধুৰ হয়। ই কল্পনা শক্তি বা দক্ষতাৰ বৃদ্ধিত অৰিহনা যোগায়। মূল কায়দাক যি লয়ত বজোৱা যায় সেই লয়ৰ পৰা ক্ৰমে দুগুন চাৰিগুন কৰি পিচত বিস্তাৰ কৰা হয় আৰু বিস্তাৰৰ সমাপ্তিত সেই কায়দাৰ বোলেৰেই তেহাই বজাই সমলৈ আহি ঠেকা ধৰা হয়। তবলা শিক্ষাৰ্থীয়ে হাতখন বজোৱাৰ বাবে উপযোগী কৰিবলৈ, কায়দাৰ যোগেদিয়ে তবলা শিকাটো প্ৰয়োজন।

## গৎ (গত)

গৎ হল সংস্কৃত শব্দ। যাৰ অৰ্থ হল গতি। সংগীতত গতি বুলিলে লয়ৰ গতিক বুজায়। যেয়েহে তালৰ বাজ অনুযায়ী তাল, লয়, ছন্দ অবলম্বি তবলাৰ এক বা একাধিক আবৰ্তনত থকা এবিধ মূল্য আৰু বৈশিষ্ট্যপূৰ্ণ বন্দিশকে (ৰচনাকে) গৎ বোলা হয়। গতৰ বোল সমূহ গাওঁতে বা বজাওঁতে কাব্যিক অভিভাৱৰ গুৰুত্ব আছে। অৰ্থাৎ গতৰ বোলসমূহ কবিতা লয়ৰ ছন্দৰ দৰে লাগে। পাখোৱাজৰ পৰনৰ দৰে তবলাত গতে এক বিশেষ স্থান অধিকাৰ কৰি আছে। অৱশ্যে পৰনতকৈ গতক কোমলভাৱে বজোৱা হয়।

Scanned with OKEN Scanner

## মুখড়া বা মোহড়া

মুখড়া বা মোহড়া প্ৰবিধ এক আবৃত্তি বা তাতৈকে সৰু বোল-বিন্যাস, যি বোল সমূহক সমৰ কেইমাত্ৰা মানৰ আগৰ পৰা বজাই সমত আহি সুন্দৰকৈ মিলাবলৈ ব্যৱহাৰ কৰা হয়। ইয়াক কোনো নিৰ্দিষ্ট তালৰ সমলৈ অহা চমু ভূমিকা বুলি কব পাৰি। গায়ক বাদকে তান, আলাপ আদি পৰিৱেশন কৰি যেতিয়া গীত বা গতৰ মুখ (বা মুখড়া) ধৰে তেতিয়াই প্ৰয়োজন অনুসৰি তবলাবাদকেও এনে ধৰনৰ চুটি বোল-বিন্যাস বজাই সংগত আনৱন্ত কৰি প্ৰশংসা লাভ কৰিব পাৰে।

## ৰেলা

ৰেলাক দ্ৰুত লয়ত বজোৱা কায়দা বুলি কব পাৰি। বোলৰ যি ৰচনাক ঠেকাৰ বিভাগ অনুসাৰে তালি খালিৰ ৰূপ ঠিক ৰাখি বজোৱা হয় আৰু যি ৰচনাক দ্ৰুত লয়তো (অৰ্থাৎ চাৰিগুন বা আঠগুন লয়তো) সহজে সুন্দৰকৈ বজাব পাৰি, তেনে বোলৰ ৰচনাকে ৰেলা বোলে। ৰেলা শব্দৰ অৰ্থ হৈছে 'প্ৰৱাহ', 'কোৱাল সোঁত' বা 'অবিৰাম গতি'।

## তিহাই

সাধাৰনতে তিহাই শব্দৰ অৰ্থ হল- তিনি। সাধাৰনতে যেতিয়া কোনো 'ধা'- যুক্ত বোলসমূহক তালৰ কোনো স্থানৰ পৰা তিনিবাৰ বজোৱাৰ পিচত শেষৰ 'ধা' সমত আহি পৰে, তেতিয়া তিনিবাৰ বজোৱা সেই বোলসমূহক তিহাই বা তেহাই বোলে। অৰ্থাৎ বিশেষ বোলৰ ৰচনা, যি ৰচনাক তিনিবাৰ সমান বিশ্ৰান্তি কালত বজাই সমলৈ অহা হয়, তাকেই তিহাই বুলি কোৱা হয়।

Scanned with OKEN Scanner

## পৰন

খোলা, গম্ভীৰ আৰু শক্তিশালী বোলৰ সাধাৰণতে দুই আবৃত্তি বা তাতোকৈও দীঘল ৰচনাক পৰন বোলে। পৰন পাখোৱাজৰ পৰা অহা বস্তু সেইবাবে ইয়াৰ বোলসমূহ জোৰদাৰ, আৰু গাম্ভীৰ্যপূৰ্ন। দাদ্ৰা, কাহৰ্ৱা আদি সৰু সৰু চঞ্চল প্ৰকৃতিৰ তালসমূহৰ বাদে বাকীবোৰ তালত পৰনৰ ব্যৱহাৰ গুৰুত্বপূৰ্ন। বেনাৰস আৰু লক্ষ্নৌ বাজত পৰনৰ ব্যৱহাৰ বেচি।

## বোল বা বৰ্ন

তবলাত আঘাত কৰি বা ঠোকৰ দি যি সংগীত উপযোগী শব্দ বা ধ্বনি উৎপন্ন কৰা হয়। তেনে শব্দ বা ধ্বনিক বোল বা বৰ্ন বোলে। বোল শব্দটো হিন্দী বা উৰ্দুৰ বোলনা শব্দৰ পৰা অহা। তবলাৰ আখৰবোৰক সাধাৰনতে বৰ্ন বা বোল বুলি জনা যায়। বৰ্ন বা বোল তবলাৰ গুৰুত্বপূৰ্ন বিষয়বস্তু। কাৰন বৰ্ন বা আখৰৰ লগত পৰিচিত হ'লেহে ভাষা ক'ব পৰাৰ দৰে বা লিখিব পৰাৰ দৰে, তবলা বৰ্নৰ লগত পৰিচয় হ'লেহে ইয়াক অধ্যয়ন কৰিব পৰা যায়।

## পাল্টা বা বিস্তাৰ

কায়দাত ব্যৱহাৰ হোৱা বোলসমূহ উলট-পালট কৰি তালৰ বা কায়দাটিৰ ৰূপ এৰকে ৰাখি নানা ধৰনে সুন্দৰভাৱে বঢ়াই যোৱা বা বিস্তাৰ কৰি যোৱাকে পাল্টা বা বিস্তাৰ বোলে। বিস্তাৰ কৰোঁতে মন কৰিব লাগে যাতে নতুন কোনো বিস্তাৰিত বোলৰ সমাবেশ নঘটে।

~~~ × ~~~
~~~

৩. নিজা পাঠ্যক্ৰমত সন্নিবিষ্ট তাল, বেলা, কায়দা, ঠেকা সম্পৰ্ক তালমালিপিত লিখাৰ অভ্যাস।

## তাললিপি

তালক বোল, মাত্ৰা, বিভাগ, তালি খালি আদিৰ সাংকেতিক চিহ্নৰে লিপিবদ্ধ কৰা প্ৰথাকে তাল-লিপি পদ্ধতি বুলি কোৱা হয়।

হিন্দুস্থানী বা উত্তৰ ভাৰতীয় সংগীত পদ্ধতিত দুটা তাললিপিৰ প্ৰচলন দেখা যায়, এটা ভাতখণ্ডে আৰু আনটো বিষ্ণু দিগম্বৰ পদ্ধতি

হিন্দুস্থানী সঙ্গীত পদ্ধতি
(উত্তৰ ভাৰতীয় সংগীত পদ্ধতি)

- ভাতখণ্ডে পদ্ধতি
- বিষ্ণু দিগম্বৰ পদ্ধতি

ভাতখণ্ডে সংগীত পদ্ধতিৰ তাললিপি:- এই পদ্ধতিৰ প্ৰৱৰ্তক পণ্ডিত বিষ্ণু নাৰায়ন ভাতখণ্ডে। এই পদ্ধতিৰ তাললিপি তলত দেখুওৱা হল—

সমৰ চিহ্ন :- x বা +
খালিৰ চিহ্ন : 0
তালিৰ চিহ্ন : ক্ৰমে ১, ২, ৩
মাত্ৰাৰ চিহ্ন : ‘◡’
বিভাগৰ চিহ্ন : ‘|’
অৱগ্ৰহৰ চিহ্ন : ‘ऽ’ বা ‘—’

যেনেকৈ ‘ধা’ অৰ্থাৎ যদি ‘ধাऽ’ এটা মাত্ৰাত আছে তেনেহলে আধামাত্ৰাত ‘ধা’ বোল বজোৱাৰ পিছত আধা মাত্ৰাৰ সময় বৰ লাগিব। আকৌ ‘ধাऽ’ এটা মাত্ৰাত আছে অৰ্থাৎ ‘ধাऽ’ হয়। যদি আধা মাত্ৰা সময়ত ‘ধা’ বজোৱা হয় তেতিয়া অৱগ্ৰহৰ (ऽ) প্ৰয়োজন নাথাকে, ঠিকেকে একমাত্ৰাত এটা বানী থাকিলে মাত্ৰৰ চিন নিদিয়ে।

Scanned with OKEN Scanner

কিন্তু যদি একমাত্রাত এটাতকৈ অধিক বানী সংযুক্ত হৈ থাকে, তাত মাত্রাৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে:- আমি 'তেৰেকেটে' বোলটি বা বৰ্ণটিৰ উদাহৰণ দিব পাৰো। যদি 'তেৰেকেটে' বোলটি একমাত্ৰাৰ ভিতৰত থাকে তেতিয়া মাত্ৰাৰ চিন বহিব। যদি তে, ৰে, কে, টে ইত্যাদি ধৰনে থাকে অৰ্থাৎ আধামাত্ৰ থাকে, তেতিয়া মাত্ৰাৰ ব্যৱহাৰ নহয়। প্ৰথম তালিত (বা প্ৰথম মাত্ৰাত) সমৰ চিহ্ন আৰু খালিৰ মাত্ৰাত খালিৰ চিহ্ন দি বাকীবোৰ তালত ক্ৰমে ২, ৩, ৪ আদি সংখ্যাৰে দ্বাৰা বুজোৱা হয়। ঠিয়কৈ সৰল ৰেখা অৰ্থাৎ এনে '|' চিনেৰে বিভাগক বুজাব পাৰি। তলত ত্ৰিতাল এনেকৈ দেখুওৱা হল-

ত্ৰিতাল

| | | | |
|---|---|---|---|
| ধা ধিন ধিন ধা | ধা ধিন ধিন ধা | ধা তিন তিন তা | তা ধিন ধিন ধা |
| × | ২ | ০ | ৩ |

ওপৰত দিয়া ত্ৰিতালখনত সৰ্বমুঠ ১৬ মাত্ৰা আছে। য'ত তিনিটা তালি, (১, ৫, আৰু ১৩ মাত্ৰাত), এটা খালি (৯ মাত্ৰাত), চাৰিমাত্ৰাকৈ চাৰিটা বিভাগ আৰু তালৰ প্ৰথম মাত্ৰাত সম।

বিষ্ণু দিগম্বৰৰ তাল পদ্ধতি:- এই পদ্ধতিৰ প্ৰৱৰ্তক বিষ্ণু দিগম্বৰ পলুস্কৰ। এই পদ্ধতিৰ তাললিপি তলত দেখুওৱা হৈছে—

১। সমৰ চিহ্ন — '১'
২। খালিৰ চিহ্ন — '+'
৩। একমাত্ৰাৰ চিহ্ন — '—' (যেনেকৈ তে অৰ্থাৎ তে বানীটো একমাত্ৰাৰ)

(৪) দুই মাত্ৰাৰ চিহ্ন: '◡' (যেনেকৈ তেৰে অৰ্থাৎ তেৰে বানীটো দুই মাত্ৰা লগ লাগি আছে)

(৫) চাৰিভাগৰ একমাত্ৰাৰ চিহ্ন: '◡' (যেনেকৈ 'তেৰেকেটে' বোলটিক চাৰিভাগৰ প্ৰভাগ কৰিলে হয়- 'তে ৰে কে টে')

Scanned with OKEN Scanner

৩) আৱৰ্তনৰ অৰ্দ্ধমাত্ৰাৰ চিহ্ন :- ' ◡ ' (যেনে:- তে, ৰে, কে, টে, তা, ক, তা, ক অৰ্থাৎ তে ৰে কে টে তা ক তা ক প্ৰত্যেকটো আধা ই মাত্ৰা) উদাহৰণ স্বৰূপে - তিলৱাড়া তালৰ ঠেকাৰ তাললিপি তলত দিয়া হ'ল —

তিলৱাড়া তাল

ধা তি ৰ কি টে ধিন্ ধিন্ ধা ধা তিন্ তিন্
১ 0 0 ৫

তা তি ৰ কি টে ধিন্ ধিন্ ধা ধা ধিন্ ধিন্
\+ 0 0 ১৩

———×———

৭. নিজৰ বাদ্যৰ খ্যাতিকৰ্তা সকলৰ জীৱনী লিখাৰ অভ্যাস।

## উস্তাদ আল্লাৰখা খাঁ

বিশ্বৰ প্ৰসিদ্ধ তবলাবাদকৰ ভিতৰত পাঞ্জাব ঘৰানাৰ প্ৰসিদ্ধ তবলাবাদক হৈছে আল্লাৰখা খাঁ। উস্তাদ আল্লাৰখা খাঁৰ জন্ম হয় ১৯১৯ চনৰ ২৯ এপ্ৰিলত জম্মুৰ ফগৱাল নামৰ এক গাঁৱৰ এক দুখীয়া কৃষক পৰিয়ালত। সৰ্বসবিৰনৰ দৰেই দেউতাকে ভাবিছিল যে তেওঁৰ পুতেকে তেওঁৰ লগত খেতি-বাতিৰ কামত সহায় কৰিব কিন্তু পুতেকৰ ধাউতি আছিল সংগীত চৰ্চাতহে। সংগীত সাধনাৰ দ্বাৰা ১৫ বছৰ বয়সতে 'পাঠান-কোটৰ এটি নাটক কোম্পানীৰ চাকৰিত সোমায়। আৰু তাতেই তবলা শিক্ষাৰ পাতনি মেলে। তবলা শিক্ষা লাভ কৰাৰ অভিপ্ৰায়েৰে পাঞ্জাব ঘৰানাৰ অন্যতম তবলাবাদক উস্তাদ লালমহম্মদ খাঁৰ ওচৰ চাপে। তেওঁৰ অসীম আগ্ৰহ দেখি লাল মহম্মদ খাঁই তবলা শিক্ষা প্ৰদান কৰে। শিক্ষা লাভ কৰাৰ পিছত আল্লাৰ খাঁই চাকৰি পৰিত্যাগ কৰি নিজ জন্মভূমি গুৰুদাসপুৰলৈ আহি সংগীত প্ৰচাৰৰ মানসেৰে এখন সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰে। কিন্তু অৰ্থৰ অভাৱত এই প্ৰতিষ্ঠানটোৰ ~~অৰ্থ~~ আচলাৱস্থাই দেখা দিয়ে। তেতিয়া তেখেতে দদায়েকৰ লগত লাহোৰলৈ যায় আৰু তাত উস্তাদ কাদিৰ বক্সৰ শিষ্যত্ব গ্ৰহণ কৰে। প্ৰায় দ্বাদশ বছৰ কাল এইজনা গুৰুৰ ওচৰত শিক্ষা লাভ কৰে। কঠিন পৰিশ্ৰম আৰু একাগ্ৰ সাধনাৰে আল্লাৰখাঁই ভাৰতত শিক্ষা লাভ কৰে। কঠিন পৰিশ্ৰম আৰু একাগ্ৰ সাধনাৰে ভাৰতবৰ্ষত অগ্ৰণী প্ৰথম্যা তবলাবাদক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়।

আকাশবাণী আৰু গ্ৰামোফোন কোম্পানীৰ বিভিন্ন ঠাইত চাকৰি কৰি ১৯৩৭ খ্ৰীষ্টাব্দত বম্বেলৈ আকাশবাণীৰ শিল্পী হিচাপে আহে। চাৰি-পাঁচ বছৰ চাকৰি কৰি বোলছবি জগতত সংগীত পৰিচালক হিচাপে তেওঁক সাধাৰণতে ছদ্মনামত এ. বি. 'কুৰেশি' হিচাপে জানিছিল। আল্লাৰ খাঁক নিজ দেশৰ

উপস্থিত বিদেশত তবলা প্ৰদৰ্শনেৰে ভূয়সী প্ৰশংসা কৰিছিল। সংগীতৰ ক্ষেত্ৰত তেখেত এগৰাকী অতুলনীয় শিল্পী। পাখোৱাজক তোলাভাৱে বজোৱা তালত এখেতে অতি সুন্দৰভাৱে তেনে ছন্দেৰে তবলাত বজোৱাটো তেখেতৰ বাদনৰ এক বিশেষত্ব বুলি কব পাৰি।

আল্লাৰখাঁ কেৱল দক্ষ তবলা বাদকেই নহয়, কণ্ঠ সংগীততো তেখেতৰ বিৰল প্ৰতিভাৰ প্ৰমাণ পোৱা যায়। তেখেতৰ পুত্ৰ উস্তাদ জাকিৰ হুছেইন এজন সুনিপুণ আৰু জনপ্ৰিয় তবলা বাদক ৰূপে বিশ্বত খ্যাতি অৰ্জন কৰে। ১৯৭৭ চনত ভাৰত চৰকাৰে "পদ্মশ্ৰী" উপাধি প্ৰদান কৰে।

সেইসময়তে আল্লাৰা খাঁৰ কন্যা ৰাজিয়াৰ অকাল মৃত্যু হয়। এই সংবাদ পায়, আল্লাৰা খাঁ হৃদ ৰোগত আক্ৰান্ত হৈ 2000 চনৰ ৩ ফেব্ৰুৱাৰীত মৃত্যু বৰণ কৰে। তেখেতৰ মৃত্যুত সংগীত জগতৰ এক অপূৰণীয় ক্ষতি হয়।

~~~ × ~~~
~~~

# BSV
# 33

## Annual Examination - 2012
### Prathama
### *Tabla & Mṛidang*

Time - 3 Hrs. M. Marks - 100

Note: Answer any five questions. All questions carry equal marks.

नोट : किन्हीं पाँच प्रश्नों के उत्तर दीजिए। सभी प्रश्नों के अंक समान हैं।

1. What do you know about the origin of your instrument. Describe briefly.
अपने वाद्य की उत्पत्ति के बारे में क्या जानते है ? संक्षेप में लिखिये।

2. Write about the parts of Tabla or Mridang.
तबला अथवा मृदंग के अंगों का सचित्र वर्णन कीजिये।

3. Describe the Varnas of your instrument and the method of playing them.
अपने वाद्य पर निकलने वाले वर्णों का वर्णन कीजिये तथा उन्हे बजाने की विधि भी समझाइये।

4. Define Laya How many types of Laya are there ? Write briefly with examples about each type of Laya.
लय की परिभाषा लिखिये ? यह कितने प्रकार की होती है ? प्रत्येक के बारे में संक्षेप में उदाहरण सहित लिखिये।



Scanned with OKEN Scanner

5. How many types of Indian instruments are there ? Your instrument is in which category ? Explain fully.
भारतीय वाद्य कितने प्रकार के होते हैं एवं आपका वाद्य किस श्रेणी में आता है ? विस्तार से लिखिये।

6. Explain any five of the following with examples :-
a) Avartan b) Theka c) Khali d) Dugun
e) Taali f) Vibhag g) Sangeet
निम्नलिखित में से किन्ही पांच को उदाहरण सहित समझाइये :-
१) आवर्तन २) ठेका ३) खाली ४) दुगुन
५) ताली ६) विभाग ७) संगीत

7. Write about the life sketch and his contribution in music of a famous performing artist of your course.
किसी प्रसिद्ध तबला वादक का जीवन परिचय बताइये।

8. Write one Quida with three palta and Tihai of Teental or Ektaal in Taal lipi.
त्रिताल या एकताल में एक कायदा तीन पल्टों व तिहाई सहित ताललिपि में लिखिये।

9. Define 'Jhumra', Tilwada and Punjabi Taal . Also write these taals in dugun Laya.
झूमरा, तिलवाड़ा एवं पंजाबी तालों का परिचय दीजिये एवं इन तालों को दुगुन लयकारी में लिखिये।

---

Scanned with OKEN Scanner

# BSV
# 33

## Annual Examination - 2013
### Prathama
### *Tabla & Mridang*

Time - 3 Hrs. M. Marks - 100

Note: Answer any five questions. All qurstions carry equal marks.

नोट : किन्हीं पाँच प्रश्नों के उत्तर दीजिए। सभी प्रश्नों के अंक समान हैं।

1. **Explain any three of the following with examples :**
**a) Mukhada b) Quida c) Tihaid) Mohra**
**e) Paran**

निम्नलिखित में से किन्ही तीन को उदाहरण सहित समझाइये :-
अ) मुखड़ा ब) कायदा स) तिहाइ द) मोहरा
य) परन

2. **What are 'Varnas'? Write the 'Varnas' of your instrument and also describe the method of playing them on your instrument.**

वर्ण किसे कहते हैं ? अपने वाद्य यन्त्र के वर्णो को लिख कर उन्हें अपने वाद्य पर बजाने की विधि को समझाइये।

3. **Write introduction and Thekas of Aadachaartal, Tilwada in Dugun Laya.**

आड़ा चारताल, तिलवाड़ा तालों के परिचय एवं ठेके दुगुन में लिखिये।



Scanned with OKEN Scanner

4. Write any three of the following in notation :-
a) One Tukda in Jhaptal
b) One Paran in Ektal
c) One Quida with two palta in Teental
d) One Paran in Ektal
निम्नलिखित में से किन्ही तीन कोताललिपि में लिखिये :-
अ) झपताल में एक टुकड़ा
ब) एकताल में एक परन
स) तीनताल में कायदा दो पलटों सहित
द) एकताल में एक परन

5. Compare following with examples :-
a) Paran - Tukda
b) Quida - Rela
c) Mukhda - Mohra
निम्नलिखित जोड़ियों की तुलना उदाहरण सहित कीजिये :-
अ) परन - टुकड़ा
ब) कायदा - रेला
स) मुखड़ा - मोहरा

6. Write in detail about the origin of your instrument.
अपने वाद्य की उत्पत्ति के विषय में विस्तार से लिखिये।

7. Define Dhamar, Ada Chartal, and Jhoomra and also write there Theka in Dugun Laya.
धमार, आड़ा चारताल एवं झूमरा तालों का परिचय दीजिये साथ ही इन तालों के ठेके को दुगुन लयकारी में लिखिये।

8. Write a life sketch of any Tabla or Mridang player.
किसी तबला अथवा मृदंग वादक की जीवनी लिखिये।

9. Describe the Varnas of your instrument and the method of playing with examples.
अपने वाद्य के वर्णो का वर्णन करते हुऐ उनकों अपने वाद्य पर निकालने की विधि उदाहरण सहित समझाइये।

-------------

Scanned with OKEN Scanner

# BSV

# 33

## Annual Examination - 2014

### Prathama

*Tabla & Mridang*

Time - 3 Hrs. M. Marks - 100

Note: Answer any five questions. All questions carry equal marks.

नोट : किन्हीं पाँच प्रश्नों के उत्तर दीजिए। सभी प्रश्नों के अंक समान हैं।

1. **What is 'Laya' ? Explain in brief with examples about each type of 'Laya'.**

   लय किसे कहते है ? प्रत्येक लय के बारे में उदाहरण सहित संक्षेप में लिखिये।

2. **Describe any five of the following with examples :-**

   1) Theka 2) Vilambit
   3) Vibhag 4) Bhari
   5) Bol 6) Palta

   निम्नलिखित में से किन्ही पाँच की परिभाषा उदाहरण सहित लिखिये :-

   १) ठेका २) विलम्बित ३) विभाग
   ४) भरी ५) बोल ६) पल्टा

3. **How many types of instruments are there ? Is your instrument a Ghana Vadya or Avanadha Vadya ? Explain it in detail.**

   वाद्य कितने प्रकार के होते हैं ? आपका वाद्य घन वाद्य है या अवनद्ध ? विस्तार पूर्वक बताइये।

4. Describe the types of instruments and also write about the category in which your instrument is considered.

वाद्यों के प्रकारों का वर्णन करते हुए लिखिये कि आपका वाद्य किस श्रेणी में आता है ?

5. What is 'Laya'? Explain briefly with examples about each type of Laya.

लय किसे कहते हैं ? प्रत्येक लय के बारे में उदाहरण सहित लिखिये।

6. Write life sketch of one of the great exponents of Tabla and Mridang.

किसी प्रसिद्धतबला अथवा मृदंग वादक का जीवन परिचय लिखिये।

7. Define any five of the following :-

a) Sangeet b) Khali c) Tali
d) Vibhag e) Theka f) Avartan
g) Bhari h) Sam

निम्नलिखित में से किन्ही पांच की परिभाषा लिखिये :-

अ) संगीत ब) खाली स) ताली द) विभाग
य) ठेका र) आर्वतन ल) भरी व) सम

8. Compare any two the following with examples :-

a) Mukhada - Mohra b) Quida - Rela
c) Gat - Paran d) Tukda - Tikai

निम्नलिखित में से किन्ही दो की तुलना उदाहरण सहित कीजिये :-

अ) मुखड़ा - मोहरा ब) कायदा - रेला
स) गत - परन द) टुकड़ा - तिहाई

9. Write one quida and two paltes with Tihai in Teen taal or Jhaptaal.

तीनताल अथवा झपताल में एक कायदा दो पल्टे तिहाई सहित लिखियें।

Scanned with OKEN Scanner

BSV

33

# Annual Examination - 2017

Prathama

*Tabla & Mridang*

Time - 3 Hrs. M. Marks - 100

Note: Answer any five questions. All questions carry equal marks.

नोट : किन्हीं पाँच प्रश्नों के उत्तर दीजिए। सभी प्रश्नों के अंक समान हैं।

1. Write the following in Taal notation :-
   a) One Tukda in Jhaptal
   b) One Quida with four paltas in Teental
   निम्नलिखित को ताललिपि में लिखिये :-
   अ) झपताल में एक टुकड़ा
   ब) तीनताल में एक कायदा चार पल्टों सहित

2. Write in brief about the origin of your instrument and discuss its place in Music.
   अपने वाद्य की उत्पति के विषय में संक्षेप में लिखिये तथा संगीत में इसके स्थान के बारे में चर्चा कीजिये।

3. Write Theka of Teentaal and Ektaal, in Thah and Dugun Laya.
   तीनताल का ठेका ठाह और दुगुन लय में लिखिये।

4. Describe the following with examples :-
   a) Theka b) Palta c) Vibhag
   d) Bol d) Peshkar
   निम्नलिखित की परिभाषा उदाहरण सहित लिखिये :-
   अ) ठेका ब) पल्टा स) विभाग
   द) बोल य) पेशकार



Scanned with OKEN Scanner

5. How many types of instruments are there ? In which category of instruments your istrument is placed.
वाद्य कितने प्रकार के होते है ? अपका वाद्य कौन से प्रकार के अंतर्गत आता है।

6. Write a life sketch of one of the great exponents of Tabla or Mridang.
किसी प्रसिद्ध तबला अथवा मृदंग वादक का जीवन परिचय लिखिये।

7. Write about the parts of Tabla or Mridang with diagram ?
तबला अथवा मृदंग के अंगों का सचित्र वर्णन कीजिए।

8. Describe the Varnas of your instrument and method of playing with examples.
अपने वाद्य के वर्णों का वर्णन करते हुए उनको अपने वाद्य पर निकालने की विधि उदाहरण सहित समझाइये।

9. What is Laya ? Explain briefly with examples about each type of Laya.
''लय' क्या है ? प्रत्येक लय के बारे में उदाहरण सहित विस्तार से लिखिये।

# BSV

33

## Annual Examination - 2018

Prathama

*Tabla & Mridang*

Time - 3 Hrs. M. Marks - 100

Note: Answer any five questions. All questions carry equal marks.

नोट : किन्हीं पाँच प्रश्नों के उत्तर दीजिए। सभी प्रश्नों के अंक समान हैं।

1. Describe any five of the following :-
   a) Tali b) Vibhag c) Barabar
   d) Theka e) Dugun f) Bhari g) Avartan

   निम्नलिखित में से किन्हीं पांच की परिभाषा उदाहरण सहित लिखिये:-
   अ) ताली ब) विभाग स) बराबर द) ठेका
   च) दुगुन छ) भरी ज) आवर्तन

2. Write in brief about the origin of your instrument and discuss its place in Music.

   अपने वाद्य की उत्पत्ति के विषय में संक्षेप में लिखिये तथा संगीत में इसके स्थान के बारे में चर्चा कीजिये।

3. Write about the parts of Tabla or Mridang with diagram.

   तबला अथवा मृदंग के अंगों का सचित्र वर्णन कीजिये।

4. How many types of instruments are there ? In which category you will place your instrument.

   वाद्य कितने प्रकार के होते हैं ? आपका वाद्य किस प्रकार के वर्गीकरण के अंतर्गत आता है।

5. What is Laya ? Explain in brief with examples about each type of Laya.
लय किसे कहते है ? प्रत्येक लय के बारे में उदाहरण सहित संक्षेप में लिखिये।

6. Describe the varnas of your instrument and the method of playing them.
अपने वाद्य पर निकलने वाले वर्णों को बताते हुये उनको वाद्य पर निकालने की विधि समझाइये।

7. What do you understand by Taal notation ? Explain with examples.
तालांलिपि से आप क्या समझते हैं ? उदाहरण सहित समझाइये।

8. Compare the following with examples :-
a) Rela - Quida  b) Mukhda - Mohra
c) Gat - Paran
निम्नलिखित की तुलना उदाहरण सहित कीजिये :-
अ) रेला - कायदा  ब) मुखड़ा - मोहरा
स) गत - परन

9. Write one Quida with three Palta and Tihai of Teentaal or Ektal in Tal Notation.
त्रिताल या एकताल में एक कायदा तीन पल्टे व तिहाई सहितताललिपि में लिखिये।

10. Write about the life sketch and his contribution in Music of famous performing artist of you course.
अपने पाठ्यक्रम के अनुसार अपने विषय के किसी प्रसिद्ध वादक की जीवनी एवं संगीत में उनके योगदान के बारे में लिखिये।

Scanned with OKEN Scanner